অসম

পলাশবাৰীত ত্রিমূর্তি শিখৰ উদ্যোগৰ বিৰুদ্ধে ৰাইজৰ প্রতিবাদ

দখলা উপৰহালিত ত্রিমূর্তি শিখৰ উদ্যোগৰ প্রদূষণৰ অভিযোগত মূল গেট ঘেৰাও কৰি প্রতিবাদ সাব্যস্ত কৰে স্থানীয় ৰাইজে।

প্রকাশ: ১৩ নৱেম্বৰ ২০২৬, আবেলি ৬:২৯



কুকুৰমাৰা, ১৩ নৱেম্বৰ: পলাশবাৰী সমষ্টিৰ দখলা উপৰহালিত অৱস্থিত ত্রিমূর্তি শিখৰ উদ্যোগৰ বিৰুদ্ধে স্থানীয় ৰাইজে তীব্র প্রতিবাদ সাব্যস্ত কৰিছে। উদ্যোগটোৰ মূল গেট ঘেৰাও কৰি প্রতিবাদকাৰীসকলে প্রদূষণ বন্ধ কৰাৰ লগতে কঠোৰ ব্যৱস্থা গ্রহণৰ দাবী জনায়।

উদ্যোগটোৰ পৰা নির্গত বিষাক্ত দুর্গন্ধ আৰু পৰিৱেশ প্রদূষণৰ ফলত অঞ্চলটোত ভয়াৱহ জনস্বাস্থ্য সংকটৰ সৃষ্টি হোৱা বুলি ৰাইজে অভিযোগ তোলে। তেওঁলোকৰ মতে, অসহনীয় দুর্গন্ধৰ বাবে স্থানীয় লোকসকলৰ জীৱন দুর্বিসহ হৈ পৰিছে।

বিশেষকৈ অঞ্চলটোৰ বহুসংখ্যক কিশোৰ-কিশোৰী বিভিন্ন অচিন ৰোগত আক্রান্ত হ’বলৈ ধৰিছে বুলিও প্রতিবাদকাৰীসকলে অভিযোগ কৰে।

স্থানীয় ৰাইজে দাবী কৰা অনুসৰি, উদ্যোগটোৰ বিষাক্ত প্রদূষণৰ ফলতে বিগত তিনি বছৰত অঞ্চলটোত ২৮জন লোকৰ অকাল মৃত্যু হৈছে। বাৰে বাৰে অভিযোগ কৰাৰ পাছতো উদ্যোগ কর্তৃপক্ষ আৰু প্রশাসনে কার্যকৰী ব্যৱস্থা গ্রহণ নকৰাৰ অভিযোগ তুলি তেওঁলোকে ৰাজপথলৈ ওলাই আহে।

প্রদূষণৰ সমস্যা শীঘ্রে স্থায়ীভাৱে সমাধান নকৰিলে আগন্তুক দিনত অধিক তীব্র আন্দোলন গঢ়ি তোলা হ’ব বুলি স্থানীয় ৰাইজে সকীয়াই দিয়ে।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/2792/plasbaee-timuuti-sikh-pduushn-ptibad